# জৱাহৰ জ্যোতি

(২০০২-০৩, ২০০৩-০৪)



সম্পাদকদ্বয়ঃ
আব্দুৰ ৰেজ্জাক
কুলেন্দ্ৰ ৰায় চৌধুৰী

তত্ত্বাৱধায়কদ্বয়ঃ
ড০ ক্ষীৰোদ ঠাকুৰীয়া
ড০ কমলেশ্বৰ ঠাকুৰীয়া

# জৱাহৰ জ্যোতি

## জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ

## বাৰ্ষিক মুখপত্ৰ

২৫ আৰু ২৬ তম্ সংখ্যা

২০০২-০৩, ২০০৩-০৪ ইং বৰ্ষ

প্ৰতি,

শ্ৰদ্ধা আৰু প্ৰীতিৰে

______________________________

______________________________

সম্পাদকদ্বয় ঃ

মঃ আব্দুৰ ৰেজ্জাক

শ্ৰীকুলেন্দ্ৰ ৰায় চৌধুৰী

তত্ত্বাৱধায়কদ্বয়ঃ

ড° ক্ষীৰোদ ঠাকুৰীয়া

ড° কমলেশ্বৰ ঠাকুৰীয়া

# ২৫ আৰু ২৬ তম্ সংখ্যা
# জৱাহৰ জ্যোতি সম্পাদনা সমিতি

| | | |
|---|---|---|
| উপদেষ্টাদ্বয় | ঃ | শ্ৰীলক্ষীকান্ত শৰ্মা (ভাৰপ্ৰাপ্ত অধ্যক্ষ) |
| | | মঃ মেৰাজ খান |
| | | (সম্পাদক, মহাবিদ্যালয় পৰিচালনা সমিতি) |
| তত্ত্বাৱধায়কদ্বয় | ঃ | ড° ক্ষীৰোদ ঠাকুৰীয়া |
| | | ড°কমলেশ্বৰ ঠাকুৰীয়া |
| শিক্ষক সদস্য | ঃ | অধ্যাপক পুলক তালুকদাৰ |
| | | অধ্যাপক ললিত চন্দ্ৰ ৰাভা |
| | | অধ্যাপিকা ভৈৰৱী বড়ো |
| ছাত্ৰ সদস্য | ঃ | শ্ৰীধৰ্মেন্দ্ৰ দাস |
| | | শ্ৰীদিগন্ত দাস |
| | | শ্ৰীৰঞ্জন কুমাৰ শৰ্মা |
| সম্পাদকদ্বয় | ঃ | মঃ আব্দুৰ ৰেজ্জাক |
| | | শ্ৰীকুলেন্দ্ৰ ৰায় চৌধুৰী |

☆ বেটুপাত ঃ মিচ্ প্ৰীতিলতা কাকতি

☆ অংগ সজ্জা ঃ সম্পাদকদ্বয়

☆ প্ৰকাশক ঃ ছাত্ৰ একতা সভা, জৱাহৰলাল নেহৰু মহাবিদ্যালয়, বকো

☆ ছপা ঃ জনতা প্ৰেছ, মিৰ্জা

# সম্পাদকীয়

এখন আলোচনী সম্পাদনা কৰাৰ বাবে যিমানখিনি অভিজ্ঞতাৰ প্ৰয়োজন সেয়া আমাৰ আছিল বুলি ক'ব নোৱাৰোঁ। তথাপিও কিছুমান ৰঙীন কল্পনা আগত ৰাখি নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিছিলোঁ। আপোনালোকৰ বিপুল সমৰ্থনেৰে নিৰ্বাচিত কৰি দায়িত্বভাৰ অৰ্পন কৰা বাবে আমি আপোনালোকৰ ওচৰত চিৰ কৃতজ্ঞ।

আলোচনী সম্পাদক হিচাপে মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ 'জৱাহৰ জ্যোতি'ক এক নতুন ৰূপত সজ্জিত কৰিব বিচাৰিছিলোঁ। কিন্তু আমাৰ মহাবিদ্যালয়ত উদ্ভৱ হোৱা আভ্যন্তৰীণ কিছু সমসাময়িক ব্যাঘাটৰ কাৰণে যথাসময়ত মুখপত্ৰখন প্ৰকাশ কৰিব পৰা নগ'ল। শেষত মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সিদ্ধান্ত অনুসৰি ২০০২-২০০৩ ইং আৰু ২০০৩-২০০৪ ইং বৰ্ষৰ মুখপত্ৰ দুখন একত্ৰিত কৰি প্ৰকাশ কৰা হয়। জৱাহৰ জ্যোতিৰ পৰৱৰ্তী বিষয়ববীয়াসকলে যাতে সময় মতে মুখপত্ৰখন প্ৰকাশ কৰি ছাত্ৰ-ছাত্ৰীৰ হাতত তুলি দিব পাৰে, তাকে কামনা কৰোঁ।

জ্ঞান-বিজ্ঞানৰ চূড়ান্ত প্ৰগতিৰ ফলস্বৰূপে সম্প্ৰতিক যুগৰ মানুহে অতি উন্নত জীৱন যাপন কৰিবলৈ সমৰ্থ হৈছে। মানুহৰ বিজয়যাত্ৰা পৃথিৱীতে সীমাবদ্ধ নাথাকি মহাবিশ্ব পৰ্যন্ত বিস্তৃত হৈছে। আনহাতে আধুনিকতাই আমাৰ সমাজত ইতিবাচক প্ৰভাৱ পেলোৱাৰ লগতে নেতিবাচক প্ৰভাৱো কম পেলোৱা নাই। প্ৰগতিৰ লগতে হিংসা, লুণ্ঠন, ভ্ৰষ্টাচাৰ, হত্যা, নগ্নতাই আমাৰ সমাজক সমান্তৰাল ভাৱে আচ্ছন্ন কৰি তুলিছে। বিশেষকৈ পশ্চিমীয়া সংস্কৃতিক উদাৰ ভাৱে আদৰি লোৱাত ভোগ-বিলাস আৰু শালিনতাহীনতাই সমাজত যথেষ্ট কু-প্ৰভাৱ পেলাইছে। মানুহৰ নৈতিক পতনৰ ই অন্যতম কাৰণ। এই স্খলনৰ পৰা আমাৰ সমাজক মুক্ত কৰিব বুলি সচেনত শ্ৰেণীৰ লোকো চিন্তাবিদ, শিক্ষাবিদ, সমাজবিদ, বুৰঞ্জীবিদ তথা প্ৰকৃত ৰাজনীতিবিদসকললৈ আশাৰে বাট চাই আছে। লগতে সমাজৰ প্ৰত্যেকজন ব্যক্তিয়ে এই অনৈতিকতাৰ প্ৰভাৱৰ পৰা সমাজখনক মুক্ত কৰিবলৈ প্ৰয়াস কৰিব লাগিব।

সাহিত্য জাতিৰ দাপোণ স্বৰূপ। এটা জাতিৰ প্ৰগতি, সংস্কৃতি, ইতিহাস আদি প্ৰকাশ পায় সাহিত্যৰ মাজেদি। সাহিত্য অবিহনে কোনো জাতি শ্ৰেষ্ঠ জাতি হিচাপে পৰিগণিত হ'ব নোৱাৰে। যি জাতিৰ সাহিত্য সৃষ্টি শ্ৰেষ্ঠ,

সাহিত্য জাতিৰ দাপোণ স্বৰূপ। এটা জাতিৰ প্ৰগতি, সংস্কৃতি, ইতিহাস আদি প্ৰকাশ পায় সাহিত্যৰ মাজেদি। সাহিত্য অবিহনে কোনো জাতি শ্ৰেষ্ঠ জাতি হিচাপে পৰিগণিত হ'ব নোৱাৰে। যি জাতিৰ সাহিত্য সৃষ্টি শ্ৰেষ্ঠ, সেই জাতি সকলো দিশতে শ্ৰেষ্ঠ। সাহিত্য সৃষ্টিৰ প্ৰেৰণাই মানুহক মহীয়ান কৰে। সাহিত্য সাধনাই মানুহক প্ৰকৃত পথত অগ্ৰসৰ হোৱাত সহায় কৰে। আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলেও যাতে সৃষ্টিশীল সাহিত্য কৰ্মত আত্মনিয়োগ কৰে আৰু লগতে তেওঁলোকে বিভিন্ন ক্ষেত্ৰত দক্ষতা প্ৰদৰ্শন কৰে তাৰ উদগণি তথা স্বীকৃতি দিয়া হয় 'জৱাহৰ জ্যোতি'ৰ যোগেদি।

*সেই জাতি সকলো দিশতে শ্ৰেষ্ঠ। সাহিত্য সৃষ্টিৰ প্ৰেৰণাই মানুহক মহীয়ান কৰে। সাহিত্য সাধনাই মানুহক প্ৰকৃত পথত অগ্ৰসৰ হোৱাত সহায় কৰে। আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলেও যাতে সৃষ্টিশীল সাহিত্য কৰ্মত আত্মনিয়োগ কৰে আৰু লগতে তেওঁলোকে বিভিন্ন ক্ষেত্ৰত দক্ষতা প্ৰদৰ্শন কৰে তাৰ উদগণি তথা স্বীকৃতি দিয়া হয় 'জৰাহৰ জ্যোতি'ৰ যোগেদি।*

*যুৱশক্তি সমাজৰ সৰ্বশ্ৰেষ্ঠ শক্তি হিচাপে স্বীকৃতি দিয়া হয়। কিন্তু বৰ্তমান আমাৰ সমাজত সততে যুৱশক্তি বিপথে পৰিচালিত হোৱা বুলি অভিযোগ কৰা হয়। অৱশ্যে ইয়াৰ অন্তৰ্নিহিত কাৰণ কি, সি এতিয়াও বিচাৰ্য বিষয়। যুৱশক্তি একত্ৰিত আৰু শৃঙ্খলিত হোৱাৰ নিৰ্ভৰযোগ্য মঞ্চ হৈছে বিদ্যালয়, মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়সমূহ। প্ৰত্যেকজন ছাত্ৰ-ছাত্ৰীয়ে নিজকে দেশৰ একোজন সু-নাগৰিক, অতন্দ্ৰপ্ৰহৰী হিচাপে গঢ়ি তুলিব লাগিব এই মহান প্ৰতিষ্ঠানতে। সমাজৰ কলুষ-কালিমা আঁতৰাব লাগিব এই ছাত্ৰ বা যুৱশক্তিয়ে।*

*শেষত প্ৰতিজন ছাত্ৰ-ছাত্ৰীকে আহ্বান জনাওঁ – আমি প্ৰত্যেকে একোজন উপযুক্ত নাগৰিক হিচাপে নিজকে গঢ় দিওঁ এই মহাবিদ্যালয়তে আৰু সমাজৰ বিশৃঙ্খলা আঁতৰাই এখন প্ৰগতিশীল অসমীয়া সমাজ গঢ়াৰ সংকল্প লওঁ।*

'জয়তু জৱাহৰলাল নেহৰু মহাবিদ্যালয়'

**মঃ আব্দুৰ ৰেজ্জাক**

**শ্ৰীকুলেন্দ্ৰ ৰায়চৌধুৰী**

**সম্পাদকদ্বয়**

# জৱাহৰ জ্যোতি

২৫ আৰু ২৬তম সংখ্যা

২০০২-০৩, ২০০৩-০৪ ইং বৰ্ষ

# সূচীপত্ৰ

## অসমীয়া শাখা

### প্ৰবন্ধ ঃ


☆ বিশ্নই ঃ পৰিবেশ সংৰক্ষণেই যি ধৰ্মৰ মূলমন্ত্ৰ/ৰেখা ছেত্ৰী/১
☆ ইংৰাজী সাহিত্যলৈ শ্বেক্সপীয়েৰৰ অৱদান– এটি চমু পৰ্য্যালোচনা/ হিৰণ্যমণি দেৱ অধিকাৰী/৪
☆ বিহু গীতত তামোল-পাণ / জয়ন্ত দাস / ৬
☆ লৰ্ড বেডেন পাৱেল আৰু স্কাউট আন্দোলন/বিজয়া ডেকা/৮
☆ ফাৰ্মাৰ শেষ উপপাদ্য আৰু ইয়াৰ প্ৰমাণৰ ইতিহাস/দীপাঙ্কৰ শৰ্মা / ১২
☆ বিশ্বকোষ / গৌতম বাভা / ১৭


### কবিতা ঃ


☆ জোনাকত এন্ধাৰ/বসন্ত কুমাৰ দত্ত/১৯
☆ অন্ধকাৰ/ৰবি নাথ/২০
☆ তুমি যে ব্যতিক্ৰমী/জীমা পণ্ডিত/২০
☆ অনুভূতি / মানস দাস / ২১
☆ তিনিটা লিমাৰিক/ হৰেশ্বৰ মেধি/২১
☆ সহাপদ/ৰবীন চন্দ্ৰ ৰাভা/২২
☆ পোহৰ কেতিয়া হ'ব/কমল দাস/২২
☆ ৰক্তাক্ত সময়/ ৰঞ্জিত কুমাৰ বাভা / ২৩
☆ বেদনা / বিকাশ দাস/২৩
☆ প্ৰেম/লক্ষণ দত্ত শৰ্মা/২৪
☆ উজ্জ্বল প্ৰত্যাশা / শ্যাম প্ৰতীম মহন্ত / ২৪
☆ গীত / ভাৰত চৌধুৰী / ২৫
☆ সাৱথি / ৰবিন চন্দ্ৰ ৰাভা / ২৫
☆ ভোগালী/ৰুবুল ব্ৰহ্ম / ২৬
☆ বসন্ত/দিপীকা বসুমতাৰী/২৬
☆ হৃদয়ত তুমি এখন নদী/যতীন দাস/২৭
☆ আশা/ৰূপালী মেধি / ২৭
☆ শৰৎ / শিৱানী কুমাৰী / ২৮
☆ কবিতা/জয়ন্ত দাস/২৮
☆ সৃষ্টি / জুনু বেগম / ২৯
☆ তুমি যাবাগৈ / আজিমউদ্দিন আহমেদ (আজিম)/২৯
☆ এটা প্ৰেমৰ কবিতা / নুৰ আমিন আহমেদ/৩০
☆ অৰ্থ গীতাঞ্জলী মজুমদাৰ/৩০
☆ বিপ্লৱী/তৃপ্তিময়ী তালুকদাৰ/৩১

☆ মোৰ প্ৰেমৰ শব্দ সংঘ/জয় কিশোৰ বৰ্মন/৩১
☆ নৱবৰ্ষ / মিণ্টুমণি মহন্ত/৩২
☆ নম্ৰতাৰ বাবে এটুকুৰা / কুলেন্দ্ৰ ৰায় চৌধুৰী/৩২

গল্প ঃ

☆ প্ৰত্যাৱৰ্তন/ড° কমলেশ্বৰ ঠাকুৰীয়া/৩৩
☆ এদিন অকস্মাৎ/হিৰণ্য অধিকাৰী / ৩৬
☆ তুমি নিসংগ নহয়/কুলদীপ ৰায়ন/৩৭
☆ ভগ্নদূত/জোনালী মৈত্ৰী/৩৮

☆ বিভাগীয় সম্পাদকীয় প্ৰতিবেদন/৪২
☆ মহাবিদ্যালয় সপ্তাহত অনুষ্ঠিত প্ৰতিযোগিতাসমূহৰ ফলাফল (আংশিক)/৫১

## बर बिफान :

☆ जिउ खौरां : मोनसे दिन्थिगियान/अनसुमा खुं: बडसा/ १

स्वन्थाय:

☆ गोजोन आंनि-नोंनि/थारायना जयश्री बर'/४
☆ राफोदाइ नौखौ नेनानै/जयश्री बर'/४
☆ हाथर्खि /जयश्री बर'/५
☆ आंनि जीउ डिङा/संगिता बर'/५
☆ सान बिबार/संगिता बर'/६
☆ आंनि अनजालि बिबार/सुबल बर'/६
☆ तफाद / मुश्रीआमिर कु खाखलारी/६

## ENGLISH SECTION

**Essay:**

☆ A study on the Socio-Cultural Background of the Rabhas/ Lalit Chandra Rabha/1
☆ Socio Economic & Political Status of Women of the Minority Community in the South Kamrup/Dr. Praneswar Nath / 10

**Poetry :**

☆ Midnight / Jonali Sarma / 12
☆ Morning / Jonali Sarma / 12

**Appendix**

I. The Present Teaching Staff / 13
II. Non Teaching Staff of our College 2002-03
III. Ex-Editors with the profs. In-Charge of "The Jawaharjyoti"
IV. Ex-General Secretary of "The Students" Union of the College
Graduate of the year

# জৱাহৰ জ্যোতি

২০০২-০৩, ২০০৩-০৪

## অসমীয়া শাখা

# বিশ্‌নই ঃ পৰিৱেশ সংৰক্ষণেই যি ধৰ্মৰ মূলমন্ত্ৰ

✍ ৰেখা ছেত্ৰী

হিন্দু ধৰ্মকে ধৰি পৃথিৱীৰ কেউটি প্ৰধান ধৰ্মই অতীজৰে পৰা প্ৰেম আৰু অহিংসা নীতিৰ পৃষ্ঠপোষকতা কৰি আহিছে। ভালদৰে চালি-জাৰি চালে দেখা যায় যে, দৰাচলতে প্ৰত্যেক ধৰ্মৰ আচাৰ নীতিবোৰে মানুহক জীৱ-জন্তু, গছ-গছনিৰ প্ৰতি মৰমীয়াল হ'বলৈ আৰু প্ৰকৃতিৰ লগত সামঞ্জস্য ৰাখি জীয়াই থাকিবলৈ শিক্ষা দিয়ে। অৰ্থাৎ প্ৰত্যেক ধৰ্মই প্ৰাকৃতিক ভাৰসাম্যতা বজাই ৰখাৰ ওপৰত গুৰুত্ব আৰোপ কৰি আহিছে। পিছে পৰিতাপৰ কথা এয়ে যে, বৰ্তমান ধৰ্মৰ এই ভাবাদৰ্শবোৰ কাৰ্য্যকৰী ক্ষেত্ৰত লোপ পাই কেৱল কিছুমান বাণীৰ ৰূপতহে বৰ্ত্তি আছে। তাৰশ্যে নতুন সহস্ৰাব্দত ভৰি দি মানৱজাতিয়ে প্ৰত্যেক ধৰ্মৰ পৰিবেশ সংৰক্ষণ সম্পৰ্কীয় ধাৰণা সমূহক সাঙুৰি প্ৰাকৃতিক পৰিৱেশ তথা বন্যপ্ৰাণী সংৰক্ষণৰ এক নতুন প্ৰয়াস বিশ্বজুৰি আৰম্ভ কৰিছে। কিন্তু ধৰ্মীয় মূল্যবোধৰ এই অৱক্ষয়ৰ মাজতো ৰাজস্থানৰ বিশ্‌নইসকলে তেওঁলোকৰ ধৰ্মৰ নীতি অনুসৰি আজি পাঁচশ বছৰ ধৰি বন্যপ্ৰাণীৰ সংৰক্ষণ তথা প্ৰাকৃতিক পৰিৱেশৰ ভাৰসাম্যতা বজাই ৰখাৰ এক নিৰবছিন্ন প্ৰচেষ্টা অব্যাহত ৰাখিছে, এইক্ষেত্ৰত তেওঁলোক যেন এটা ব্যতিক্ৰম।

*বিশ্‌নই দৰ্শনৰ মূলতত্ত্ব হৈছে যে মানুহৰ দৰে সকলো জীৱৰে জীয়াই থকাৰ আৰু প্ৰাকৃতিক সম্পদসমূহ উপভোগ কৰাৰ অধিকাৰ আছে। বিশ্‌নইসকলৰ বাবে গছ-গছনি বা বনৰীয়া জীৱ জন্তুৰ সংৰক্ষণ দৈনন্দিন জীৱনত পালন কৰিবলগীয়া এটা প্ৰধান কৰ্তব্য আৰু পুৰুষানুক্ৰমে তেওঁলোকে এই পৱিত্ৰ কৰ্তব্য পালন কৰি আহিছে। বিশ্‌নইসকল জীৱ-জন্তুৰ সংৰক্ষণৰ প্ৰতি ইমানেই সচেতন যে চিকাৰী বা চোৰাং ব্যৱসায়ীয়ে তেওঁলোকৰ এলেকাত প্ৰৱেশ কৰিবলৈ ভয় কৰে। বিশ্‌নই গাঁওবিলাক নিৰ্বোধ জীৱ-জন্তুৰ বাবে স্বৰ্গসদৃশ, য'ত সিহঁতে নিৰ্ভয়ে বিচৰণ কৰিব পাৰে।*

বিশ্‌নই দৰ্শনৰ মূলতত্ত্ব হৈছে যে মানুহৰ দৰে সকলো জীৱৰে জীয়াই থকাৰ আৰু প্ৰাকৃতিক সম্পদসমূহ উপভোগ কৰাৰ অধিকাৰ আছে। বিশ্‌নইসকলৰ বাবে গছ-গছনি বা বনৰীয়া জীৱ জন্তুৰ সংৰক্ষণ দৈনন্দিন জীৱনত পালন কৰিবলগীয়া এটা প্ৰধান কৰ্তব্য আৰু পুৰুষানুক্ৰমে তেওঁলোকে এই পৱিত্ৰ কৰ্তব্য পালন কৰি আহিছে। বিশ্‌নইসকল জীৱ-জন্তুৰ সংৰক্ষণৰ প্ৰতি ইমানেই সচেতন যে চিকাৰী বা চোৰাং ব্যৱসায়ীয়ে তেওঁলোকৰ এলেকাত প্ৰৱেশ কৰিবলৈ ভয় কৰে। বিশ্‌নই গাঁওবিলাক নিৰ্বোধ জীৱ-জন্তুৰ বাবে স্বৰ্গসদৃশ, য'ত সিহঁতে নিৰ্ভয়ে বিচৰণ কৰিব পাৰে।

এই সুন্দৰ পৰিৱেশধৰ্মী ধৰ্মীয় আদৰ্শৰ জন্মদাতা আছিল গুৰু জম্বেশ্বৰ জী মহাৰাজ। আজিৰ পৰা ৫৫০ বছৰ আগতে অৰ্থাৎ ১৪৫১ খ্ৰীষ্টাব্দত ৰাজস্থানৰ মৰুভূমিত, বৰ্তমান নাগোৰ জিলাৰ পিপাসৰ গাঁৱত জোধাজী ৰাওৰ ৰাজত্ব কালত গুৰু জম্বেশ্বৰ মহাৰাজৰ জন্ম হৈছিল। (তেওঁৰ পিতৃ লোধাজী আছিল পাৱাৰ বংশৰ সম্ভ্ৰান্ত ৰাজপুত পৰিয়ালৰ সদস্য। তেওঁৰ মাতৃ আছিল ৰাজপুতসকলৰে মাজৰ ভাটী ফৈদীয়)। জম্বাজী আছিল তেওঁৰ পিতৃ-মাতৃৰ একমাত্ৰ সন্তান। এটি সাধাৰণ পৰিয়ালত জন্মগ্ৰহণ কৰা এই জম্বাজীয়ে কালক্ৰমত বিশ্‌নই ধৰ্মৰ

প্ৰৱৰ্তক ৰূপে বিখ্যাত হৈ পৰে। এইখিনিতে উল্লেখযোগ্য যে জম্ভাজী কেৱল এজন ধৰ্মগুৰুৱে আছিল তেনে নহয়, তেওঁ আছিল একেধাৰে এজন সন্ত, বন্যপ্ৰাণী সংৰক্ষক তথা পৰিৱেশ বিজ্ঞানী। বৰ্তমান যুগত বন্যপ্ৰাণী তথা জৈৱবৈচিত্ৰতা সংৰক্ষণে এক বিশ্বজনীন গুৰুত্ব লাভ কৰিছে। কিন্তু আজিৰ পৰা ৫৫০ বছৰ আগতে মৰুভূমিৰ বুকুৰ এক অখ্যাত অঞ্চলৰ এজন সাধাৰণ গাঁৱলীয়া মানুহে কোনো ধৰণৰ আনুষ্ঠানিক শিক্ষা নোপোৱাকৈ বন্যপ্ৰাণী তথা পৰিৱেশ সংৰক্ষণৰ তাৎপৰ্য উপলব্ধি কৰিব পাৰিছিল তাক ভাবিলে আচৰিত লাগে। জম্ভাজীয়ে যে কেৱল নিজে বন্যপ্ৰাণী সংৰক্ষণৰ গুৰুত্ব উপলব্ধি কৰিছিল তেনে নহয়, তেখেতে সৰ্বসাধাৰণ মানুহক বন্যপ্ৰাণী সংৰক্ষণৰ প্ৰতি আকৰ্ষিত কৰিবলৈ সক্ষম হৈছিল। তেওঁ এইটোও ভালদৰে বুজি পাইছিল যে সৰ্বসাধাৰণ লোকবোৰ ধৰ্মভীৰু, সেয়েহে তেওঁ বন্যপ্ৰাণী সংৰক্ষণৰ নীতিসমূহক এই নিৰক্ষৰ গাঁৱলীয়া লোকসকলে গ্ৰহণ কৰিব পৰাকৈ প্ৰচাৰ কৰিছিল। জীৱ-জন্তুৰ প্ৰতি প্ৰেম, বন্যপ্ৰাণী তথা পৰিবেশ সংৰক্ষণৰ নীতিবোৰক প্ৰচলিত ধৰ্মীয় নীতিৰ লগত সাঙুৰি এক নতুন মতবাদৰ জন্ম দিছিল। জম্ভাজীয়ে তেওঁৰ অনুগামী সকলক ২৯ টা নীতি পালন কৰিবলৈ উপদেশ দি গৈছে। জম্ভাজীৰ এই ২৯ টা নীতি মানি চলা বাবে তেওঁৰ অনুগামীসকল বিশ্নই বুলি জনাজাত হয়। (বিশ- ২০+ নষ্ট-৯) এই ২৯ টা নীতিৰ ভিতৰত ৮টা নীতি সম্পূৰ্ণৰূপে পৰিবেশ সংৰক্ষণ আৰু পশুধনৰ উন্নতিৰ লগত জড়িত। এই আঠোটা নীতিৰ ভিতৰত—

১। ষাড় গৰু বিলাকৰ বন্ধ্যাকৰণ নকৰা
২। মতা ছাগলীবোৰক পৃথককৈ নৰখা
৩। কোনো ধৰণৰ জীৱ-জন্তু বধ নকৰা
৪। যিকোনো সেউজীয়া গছ নকটা
৫। সকলো জীৱকে সুৰক্ষা প্ৰদান কৰা ইত্যাদিয়ে প্ৰধান।

জম্ভাজীয়ে আনকি তেওঁৰ অনুগামীসকলক জুহালত ব্যৱহাৰ কৰা খৰিৰ ক্ষেত্ৰতো যথেষ্ট সাৱধান হ'বলৈ নিৰ্দেশ দিছিল। তেওঁৰ মতে এনেকুৱা খৰিহে জ্বলাবৰ কাৰণে ব্যৱহাৰ কৰা উচিত য'ত কোনো কীট-পতঙ্গ নাথাকে। তদুপৰি নীলা বস্ত্ৰ পৰিধানৰ ক্ষেত্ৰতো তেখেতে নিষেধাজ্ঞা জাৰি কৰি থৈ গৈছে। কিয়নো নীলা ৰং প্ৰস্তুত কৰিবলৈ বৃহৎ হাৰত গছ কাটিব লগা হৈছিল। চমুকৈ ক'বলৈ গ'লে--

সত্য, অহিংসা, পৰিষ্কাৰ - পৰিচ্ছন্নতা, প্ৰাকৃতিক ভাৰসাম্যতা বজাই ৰখা, প্ৰাকৃতিক সম্পদসমূহৰ সংৰক্ষণ কৰা, সহনশীলতা, সৰলতা, ন্যায়-পৰায়ণতা আৰু মানৱতাবাদেই হৈছে জম্ভাজীৰ প্ৰধান বাণী, যিবোৰ নেকি আজিৰ পৰিৱেশতো সমানে প্ৰযোজ্য।

জম্ভাজীৰ এটি প্ৰধান বাণী হৈছে—
সেউজীয়া গছ নাকাটিব
ই কথা প্ৰত্যেকে মানিব।
গছ ৰচাবলৈ সদা সাজু থাকিব
ইটো প্ৰত্যেকৰে কৰ্তব্য।

জম্ভাজীৰ এনেধৰণৰ বাণীবোৰে বিশ্নইসকলৰ হৃদয় চুই গৈছিল আৰু পৰ্য্যায়ক্ৰমে বহুসংখ্যক লোকে জম্ভাজীৰ নিৰ্দেশ সমূহ পালন কৰিবলৈ লয়।

এনেদৰে মৰুৰ বুকুত জন্ম হয় এক পৰিৱেশধৰ্মী আজিৰ ভাষাত ক'বলৈ গ'লে Eco-Friendly মতবাদৰ আৰু লগে লগে গঢ় লৈ উঠিল এই নতুন মতাৱলম্বী এক নতুন গোষ্ঠীৰ–যি আজি সমগ্ৰ বিশ্বতে বিশ্নই নামে জনাজাত। উল্লেখযোগ্য যে আজি চাৰে পাঁচশ বছৰ পিছতো বিশ্নইসকলে পুৰুষানুক্ৰমে লাভ কৰি অহা এই জ্ঞানৰ দ্বাৰা অনুপ্ৰাণিত হৈ আছে আৰু তেওঁলোকৰ চাৰিওকাষৰ গছ গছনি তথা জীৱ-জন্তুক ৰক্ষণা-বেক্ষণ দি প্ৰকৃতিৰ লগত খাপখুৱাই প্ৰাকৃতিক ভাৰসাম্যতা বজাই ৰখাৰ চেষ্টা অব্যাহত ৰাখিছে। বিশ্নইসকল ইমানেই পৰিৱেশ সচেতন যে গোঁড়া হিন্দু হৈয়ো তেওঁলোকে মৃতদেহ সংকাৰ নকৰি কবৰ দিয়ে। কিয়নো সংকাৰৰ বাবে আৱশ্যকীয় কাঠৰ বাবে বহুতো গছ কাটিবলগীয়া হয়। তদুপৰি বিশ্নইসকল সম্পূৰ্ণ নিৰামিষহাৰী, তেওঁলোকে কেতিয়াও মদ্যপান বা ধূমপান নকৰে।


বিশ্নই গোষ্ঠীৰ এই পৰিৱেশ সচেতনতাৰ বাবে ব্লেকবাক বা চিঙ্কাৰাবোৰে মুক্ত মনেৰে তেওঁলোকৰ এলেকাত বিচৰণ কৰে। এইখিনিতে উল্লেখনীয় যে ভাৰতীয় বন্যপ্ৰাণী সংৰক্ষণ আইনে (১৯৭২) ব্লেকবাকক বিলুপ্তপ্ৰায় প্ৰাণী

হিচাপে চিনাক্ত কৰি ১নং অনুচ্ছেদৰ অন্তৰ্ভুক্ত কৰিছে। অবাধ গতিত হত্যা কৰাৰ বাবে ইহঁতৰ বিস্তৃতি এলেকা— ভাৰত, বাংলাদেশ, নেপাল আৰু পাকিস্তানত ব্ৰেকবাকৰ সংখ্যা ক্ৰমান্বয়ে হ্ৰাস পাই আহিছে। কিন্তু বিশ্‌নইসকলৰ বাবে ব্ৰেকবাক পবিত্ৰ জন্তু আৰু লক্ষণীয়ভাৱে ভাৰতবৰ্ষৰ সমগ্ৰ ব্ৰেকবাকৰ নব্বৈ শতাংশই (৯০%) ৰাজস্থান, হাৰিয়ানা, গুজৰাট আৰু পঞ্জাৱৰ বিশ্‌নই এলেকাসমূহত পোৱা যায়। সেয়েহে সচৰাচৰ কোৱা হয় 'বিশ্‌নই য'ত হৰিণ ত'ত'। তেওঁলোকে যে কেৱল ব্ৰেকবাক চিঙ্কাৰা বা অন্যান্য জীৱজন্তু চৰাই - চিৰিকটিক ৰক্ষণাবেক্ষণহে দিয়ে এনে নহয়, সিহঁতক পিয়াহৰ পানী আৰু খাদ্যও যোগান ধৰে। কিছুমান এলেকাত বিশ্‌নইসকলে নিজ হাতেৰে এইবনৰীয়া জীৱজন্তুবোৰক খুৱায়। হৰিণৰ জাক বা অন্য বনৰীয়া জন্তুৱে তেওঁলোকৰ খেতি-বাতিৰ যিমানেই অনিষ্ট নকৰক কিয় বিশ্‌নইসকলে কেতিয়াও জীৱ জন্তু বধ নকৰে। তেওঁলোকে বিশ্বাস কৰে যে ভগৱানে কৃষকসকলৰ জীৱ-জন্তুৰ দ্বাৰা হোৱা ক্ষতি যিকোনো উপায়েৰে পূৰণ কৰে।

বিশ্‌নইসকলৰ বাবে পৰিৱেশৰ সংৰক্ষণ এক পবিত্ৰ কৰ্তব্য আৰু এই কৰ্তব্য পালনৰ হেতু তেওঁলোকে আৱশ্যক অনুযায়ী প্ৰাণ বিসৰ্জন দিবলৈও কুণ্ঠাবোধ নকৰে। জম্ভাজীৰ এজন ঘনিষ্ঠ সহযোগী কবি-সন্ত উদোজী নেইনে বিশ্‌নই মতবাদ প্ৰচাৰ কৰা সময়ত কৈছিল যে— কোনো বিশ্‌নই ব্যক্তিয়ে, কোনোবাই জীৱ বধ কৰিব ধৰা দেখিলে বা গছ কাটিব ধৰা দেখিলে প্ৰথমে হত্যাকাৰীজনক তেনে নকৰিবলৈ অনুৰোধ কৰিব লাগে। তাৰ পিছত তেওঁক পবিত্ৰ কৰ্মৰ কথা সোঁৱৰাই দি এনে পাপ কৰ্মৰ পৰা বিৰত থাকিবলৈ অনুনয় কৰিব লাগে। তথাপিও যদি লোকজনে নেমানে, তেতিয়া উপস্থিত বিশ্‌নই জনে হত্যা কৰিবলৈ লোৱা জীৱটোক বচাবৰ নিমিত্তে নিজৰ মূৰটো আগবঢ়াই দিব লাগে। জম্ভাজীৰ বলিষ্ঠ ভাষাৰ এই বাণীবোৰৰ দ্বাৰা বিশ্‌নইসকল বাৰেকৈয়ে অনুপ্ৰাণিত হৈছিল। সেয়েহে তেওঁলোকৰ চাৰে পাঁচশ বছৰীয়া ইতিহাসত বহু সংখ্যক বিশ্‌নই পুৰুষ মহিলাই গছ-গছনি তথা জীৱ জন্তু বচোৱাৰ নিমিত্তে প্ৰাণ বিসৰ্জন দিয়াৰ অলেখ উদাহৰণ পোৱা যায়। পৰিৱেশ সংৰক্ষণৰ প্ৰতি তেওঁলোকৰ এই সজাগতাৰ বাবে আজিও যিকোনো বিশনই গাঁৱত মুক্ত মনেৰে চৰি ফুৰা জাক-জাক চিঙ্কাৰা বা ব্ৰেকবাকৰ মনোমোহা দৃশ্য দেখা যায়।

এক অৰ্থত ক'বলৈ গ'লে পৰিৱেশ তথা বন্যপ্ৰাণী সংৰক্ষণৰ দিশত বিশ্‌নইসকল বিশ্বৰ দৰবাৰত এক মহান আদৰ্শ। বৰ্তমান যুগত সৰ্বসাধাৰণ ৰাইজক সাঙুৰি (Community Based Conservation) জৈৱ বৈচিত্ৰতা সংৰক্ষণৰ বাবে বিশ্বজুৰি আৰম্ভ কৰা আঁচনিসমূহ তেতিয়াহে সাৰ্থকতা লাভ কৰিব যেতিয়া নেকি বিশ্‌নইসকলৰ দৰে সকলোৱে পৰিৱেশ তথা বণ্যপ্ৰাণী সংৰক্ষণক এক মহৎ কৰ্তব্য হিচাপে গ্ৰহণ কৰি নিজ নিজ ধৰ্মৰ প্ৰেম আৰু অহিংসাৰ নীতিবোৰ দৈনন্দিন জীৱনত পালন কৰিবলৈ ল'ব।

☆☆☆



# ইংৰাজী সাহিত্যলৈ শ্বেক্সপীয়েৰৰ অৱদান' —এটি চমু পৰ্য্যালোচনা

✍ হিৰণ্যমণি দেৱ অধিকাৰী
স্নাতক ৩য় বৰ্ষ (কলা)

শ্বেক্সপীয়েৰ ইংৰাজী সাহিত্য জগতৰ এক উজ্বল তোটাতৰা। ইংৰাজী নাট্য সাহিত্যৰ "এলিজাবেথীয়" যুগৰ তেখেত আছিল অপ্ৰতিদ্বন্দ্বী সম্ৰাট। ১৫৬৪ চনত জন্ম গ্ৰহণ কৰা উইলিয়াম শ্বেক্সপীয়েৰৰ কলমেৰে নিগৰিছিল কেইবাখনো যুগজয়ী গ্ৰন্থ।

শ্বেক্সপীয়েৰৰ সাহিত্যিক যুগক চাৰিটা ভাগত ভগাব পাৰি।

প্ৰথম ভাগটো তেখেত লণ্ডনত প্ৰথমবাৰ উপস্থিত হোৱাৰ পিচৰ ১৫৮৭ পৰা ১৫৯৫ চনলৈ ধৰিব পাৰি। এই সময়খিনিক নৱ অভিজ্ঞতাৰ যুগ (A period of early experimentation) বুলি কোৱা হয়। এই সময়ত লিখা তেখেতৰ উল্লেখযোগ্য ৰচনাৰাজি হ'ল— লভ লাবাৰ্চ লষ্ট, টু জেন্টলমেন অৱ ভেৰোনা আৰু ৰিচাৰ্ডথ্ৰী।



দ্বিতীয় ভাগটো ১৫৯৫ চনৰ পৰা ১৬০০ চনলৈ ধৰা হয়। এই সময়খিনি তেখেতৰ "দ্ৰুত বিকাশ আৰু উন্নতিৰ যুগ" (Rapid growth & Development) বুলি কোৱা হয়। এই সময়ত লিখা তেখেতৰ বিখ্যাত নাট সমূহ হ'ল- 'দ্যা মাৰ্চেন্ট অৱ ভেনিচ', 'মিড চামাৰ নাইট ড্ৰীম', 'এজ ইউ লাইক ইট আৰু হেনৰী ফ'ৰ। এই ৰচনা সমূহ যথেষ্ট সূক্ষ্ম আৰু কলাত্মক (artistic) ।

তৃতীয়টো ভাগত ১৬০০ চনৰ পৰা ১৬০৭; চনলৈ ধৰিব পাৰি। এইখিনি তেখেতৰ 'পূৰ্ণ অভিজ্ঞতাৰ' যুগ। এইখিনি সময়তে তেখেতৰ কলমেৰে নিগৰিছিল তেখেতৰ কালজয়ী ট্ৰেজেডী – 'মেকবেথ, হেমলেট, কিং লিয়েৰ, অথেলো আদিৰ।

১৬০৭ চনৰ পৰা তেখেতৰ জীৱনৰ শেষ মুহূৰ্তলৈ চতুৰ্থ ভাগটো ধৰা হয়। এই সময়খিনি আগৰ তুলনাত যথেষ্ট শান্ত। জীৱনৰ এই অন্তিম ক্ষণত তেখেতে ৰচনা কৰে "দা উইনটাৰ টেল" আৰু "দা টেমপেষ্ট"।

শ্বেক্সপীয়েৰৰ নাট সমূহক ঘাইকৈ তিনিটা ভাগত ভগাব পাৰি— ১) ট্ৰেজেডী (২) কমেডী আৰু (৩) বুৰঞ্জীমূলক।

ট্ৰেজেডী সমূহ হ'ল – ৰোমিঅ' এণ্ড জুলিয়েট, হেমলেট, মেকবেথ, কিং লিয়েৰ, অথেলো আদি।

কমেডী সমূহ হ'ল – মিড চামাৰ নাইট ড্ৰীম, দা মাৰ্চেন্ট অৱ ভেনিচ, এজ ইউ লাইক ইট, দা উইনটাৰ টেল, দা টেমপেষ্ট আৰু টুৱেল্‌ফ নাইট। সেইদৰে বুৰঞ্জীমূলক নাটসমূহ হ'ল— জুলিয়াছ ছিজাৰ, ৰিচাৰ্ড থ্ৰী, হেনৰী ফ'ৰ, হেনৰী ফাইভ, কৰিঅ'লেনাচ, এন্টনী এণ্ড ক্লিঅ' পেট্ৰা উল্লেখযোগ্য।


ইংৰাজী নাট্য সাহিত্যৰ ভঁৰাল চহকী কৰাৰ মূলতে হ'ল শ্বেক্সপীয়েৰ। উল্লেখনীয়ভাৱে তেখেতৰ নাট সমূহে আগৰ দৰে এতিয়াও সমানে জিনিব পাৰিছে দৰ্শকৰ হৃদয়। এক বৃহৎ সংখ্যক জনপ্ৰিয়, যিবোৰ আজিও সমানে সমাদৃত হৈ থকা নাট ৰচনা কৰা শ্বেক্সপীয়েৰেই সম্ভৱতঃ একমাত্ৰ নাট্যকাৰ।

তাৎপৰ্যপূৰ্ণভাৱে সেই সময়ত শ্বেক্সপীয়েৰ এগৰাকী আগশাৰীৰ কবিও আছিল। তেখেতৰ দুটি দীঘল কবিতা হ'ল "ভেনাচ এণ্ড অদোনিচ" আৰু "দা ৰেপ অৱ লুক্ৰেচী"। যদিও তেখেতৰ কবিতা সমূহ যথেষ্ট উচ্চমান বিশিষ্ট আছিল তথাপিতো তেখেতৰ নাট তথা "মহান নাট্যকাৰ" হিচাপে পোৱা খ্যাতিৰ প্ৰভাৱত কবিতা সমূহ ম্লান হৈ পৰিছিল।তেখেত নাট্যকাৰ হিচাপে ইমানেই জনপ্ৰিয় আছিল যে কোনেও তেওঁক এগৰাকী কবি হিচাপে গ্ৰহণ কৰাৰ পক্ষপাতী নাছিল।

শ্বেক্সপীয়েৰে সেই সময়ত নাট্যজগতত এক পৰিবৰ্তনৰ সূচনা কৰিছিল। সেই সময়ত চলি থকা চিৰাচৰিত বিষয়বস্তুৰ (Plot) সলনি তেখেতে এক সুকীয়া বিষয়বস্তুৰ ওপৰত কাহিনী লিখিছিল। সাধাৰণতে তেখেতৰ নাটসমূহত তিনিটা বিষয়ৰ সমাহাৰ দেখিবলৈ পোৱা গৈছিল। সেইসমূহ হ'ল প্ৰতিশোধ (Revange), হত্যা (Murder) আৰু উচ্চাকাংক্ষা (Ambition)। ইয়ে তেখেতৰ নাট সমূহক এক সুকীয়া স্বাদ দিছিল। ইয়াৰ উৎকৃষ্ট উদাহৰণ হ'ল — হেমলেট, মেকবেথ আৰু জুলিয়াছ ছিজাৰ।

শ্বেক্সপীয়েৰৰ ইংৰাজী সাহিত্যলৈ আগবঢ়োৱা অৱদান বৰ্ণনাতীত। তেখেতেই ইংৰাজী সাহিত্যত, বিশেষকৈ নাট্য-সাহিত্যত এক বিপ্লৱৰ সূচনা কৰিছিল। যাৰ ফলত নাট্য জগতত উজ্বলি উঠিছিল Keed, Peele, Green আদি নাট্যকাৰসকল। আনহাতে ইয়াৰ ফলত নাট্যসাহিত্যৰ ক্ষেত্ৰখন বহুদূৰলৈ প্ৰসাৰিত হৈছিল।

১৬১৬ চনৰ ২৩ এপ্ৰিলত এটি গৌৰৱময় অধ্যায়'ৰ সমাপ্তি ঘটিল। সেইদিনাই জীৱন নাটৰ অন্তিম ক্ষণত শেষ নিশ্বাস ত্যাগ কৰিছিল পৃথিৱীৰ আটাইতকৈ সফলতম তথা জনপ্ৰিয় নাট্যকাৰ উইলিয়াম শ্বেক্সপীয়েৰে।



*ইয়াতেই সৃষ্টি হৈছিল শ্বেক্সপীয়েৰৰ বহু অমৰ ৰচনা।*

শ্বেক্সপীয়েৰ আজি আমাৰ মাজত নাই, কিন্তু তেখেতৰ বহুমূলীয়া কীৰ্তিস্তম্ভই তেখেতৰ স্মৃতি আমাৰ মাজত যুগ-যুগান্তৰলৈ সজীৱ কৰিব। শ্বেক্সপীয়েৰ অমৰ হৈ ৰ'ব আমাৰ মাজত। শেষত কবি উইলিয়াম বৰ্ডচৱৰ্থৰ ভাষাৰে–

"Our birth is but a sleep & forgetting
The soul that rises with us, our lifes."

☆☆☆

# বিহু গীতত তামোল-পাণ

✍ জয়ন্ত দাস
উঃ মাঃ২য় বৰ্ষ (কলা)

অসমীয়া সমাজ-সংস্কৃতিত তামোল-পাণৰ সন্মানজনক আৰু প্ৰয়োজনভিত্তিক ব্যৱহাৰ আছে। অসমৰ প্ৰায়বোৰ জনগোষ্ঠীৰ মানুহেই তামোল খায়। ভাৰতকে ধৰি দক্ষিণ-পূৰ্ব এছিয়াৰ ভালেকেইখন দেশৰ মানুহে তামোল খায়। ভাৰতৰ প্ৰায়বোৰ অঞ্চলতে তামোল মুহুদি হিচাপে ব্যৱহাৰ হয়। অসম তথা ভাৰতত তামোল-পাণৰ প্ৰচলনৰ ইতিহাস বিচাৰিবলৈ আৰ্য-অনাৰ্যৰ সংমিশ্ৰণৰ পটভূমিকো সুঁৱৰিব লগা হয়। সংস্কৃতত 'তাম্বুল' শব্দটোৰ উল্লেখ থাকিলেও পণ্ডিত সকলে ই পাছৰ কালত আমদানিকৃত শব্দ বুলিহে অনুমান কৰে। সংমিশ্ৰিত জনগোষ্ঠীয় সমাজ এখনৰ পৰাই অসমীয়া জাতীয় জীৱন এটা গঢ় লৈছে। আৰ্য-অনাৰ্যৰ সংঘাত-সহযোগিতাৰ মাজেদি অসমীয়া জাতীয় সংস্কৃতি নিৰ্মিত হৈছে। বিভিন্ন জনগোষ্ঠীৰ বিচিত্ৰ উপাদান অসমৰ লোকজীৱনত বৰ্তি আছে।

*তামোল পাণৰ ব্যৱহাৰ অনাৰ্য সম্ভূত মংগোলীয় সকলৰ পৰম্পৰাও হ'ব পাৰে অথবা আৰ্যসকলৰ সংস্কৃতিক সম্পদো হ'ব পাৰে। তামোল-পাণ অসমীয়া মৰ্যাদাসম্পন্ন দ্ৰব্য বস্তু। আহাৰৰ মুহু দিৰ পৰা আলহী-অতিথিক সন্মান জনক শুশ্ৰূষা কৰালৈকে চেনেহীয়ে চেনাইক মৰমৰ প্ৰতীক হিচাপে দিয়া তামোলখনৰ পৰা ৰাইজৰ আগত আঠু লওঁতে দিয়া গুৱা-পাণলৈকে বিভিন্ন প্ৰয়োজনত তামোল পানৰ ব্যৱহাৰ হয়। আনকি লোকবিশ্বাস মতে, বিয়া বাহুত আহুদি কৰিবলৈ যাদু মন্ত্ৰৰ অশুভ দিশ এটাৰ লগতে তামোল-পাণ জড়িত। মুঠতে অসমীয়া সাংস্কৃতিক জীৱনত তামোল পানে এটা বহুল প্ৰয়োজনীয় দ্ৰব্য হিচাপে স্থান লাভ কৰি আহিছে।*

তামোল-পাণৰ ব্যৱহাৰ অনাৰ্য সম্ভূত মংগোলীয় সকলৰ পৰম্পৰাও হ'ব পাৰে অথবা আৰ্যসকলৰ সাংস্কৃতিক সম্পদো হ'ব পাৰে। তামোল-পাণ অসমীয়া মৰ্যাদাসম্পন্ন দ্ৰব্য বস্তু। আহাৰৰ মুহুদিৰ পৰা আলহী-অতিথিক সন্মানজনক শুশ্ৰূষা কৰালৈকে, চেনেহীয়ে চেনাইক মৰমৰ প্ৰতীক হিচাপে দিয়া তামোলখনৰ পৰা ৰাইজৰ আগত আঠু লওঁতে দিয়া গুৱা-পাণলৈকে বিভিন্ন প্ৰয়োজনত তামোল-পাণৰ ব্যৱহাৰ হয়। আনকি লোকবিশ্বাস মতে, বিয়া, বিহুত আহুদি কৰিবলৈ যাদু মন্ত্ৰৰ অশুভ দিশ এটাৰ লগতো তামোল-পাণ জড়িত। মুঠতে অসমীয়া সাংস্কৃতিক জীৱনত তামোল-পাণে এটা বহুল প্ৰয়োজনীয় দ্ৰব্য হিচাপে স্থান লাভ কৰি আহিছে।

প্ৰচীন ভাৰতীয় সাহিত্যতো তামোল-পাণৰ ব্যৱহাৰৰ কথা পোৱা যায়। বিশেষকৈ পালি সাহিত্যত তামোলৰ উল্লেখ আছে। বাৎসায়নৰ 'কামসূত্ৰ'ত তামোলৰ যোগেদি মুখৰ দুৰ্গন্ধ নাশ কৰাৰ কথা আছে। অসমতে ৰচিত 'যোগিনী তন্ত্ৰ' আৰু 'কলিকাপুৰাণ'ত তামোলৰ বিভিন্ন ব্যৱহাৰৰ কথা বৰ্ণনা কৰা হৈছে। আটাইতকৈ তৎপৰ্যপূৰ্ণ কথা হ'ল লোকগীতসমূহে তামোল-পাণৰ প্ৰতীকী আৰু ইংগিতময়ভাবে ইয়াৰ সামাজিক গুৰুত্ব আৰু প্ৰচলনৰ স্বাক্ষৰ বহন কৰিছে। বিশেষকৈ বিহুগীত আৰু বনঘোষাত সঘনাই তামোল-পাণৰ উল্লেখ পোৱা যায়। কেতিয়াবা প্ৰতীক, কেতিয়াবা উপমা কেতিয়াবা প্ৰেম বিনিময়ৰ আহিলা ৰূপতো তামোল-পাণৰ ভূমিকা চহা কবিয়ে উল্লেখ কৰিছে।

বিহুগীতসমূহ কৃষি জীৱনৰ লগত জড়িত ডেকা-গাভৰুৰ প্ৰেম-প্ৰণয়, মিলন-বিৰহ, যৌনতা আদি আবেগ-অনুভূতিক সামৰি লৈছে। কৃষি উৎসৱ হিচাপে বিহুৰ লগত সৃষ্টিশীলতাৰ সম্পৰ্ক আছে। সেইবাবে বিহুগীতত প্ৰকৃতিয়ে জীৱন-যৌৱনৰ ৰূপ উদঙাই দেখুৱাইছে। গছ, লতা, পশু-পক্ষী, মাছ-কাছ আদিৰ লগতে তামোল-পাণেও বিহুগীতৰ উপমা, প্ৰতীক হৈ ধৰা দিছে।

কোনোবা বিহুৱা ডেকাই চেনেহীৰ হাতৰ কটা তামোল খাই প্ৰেমত বন্দী হোৱাৰ কথা আছে এই গীতত। কাৰণ সেই প্ৰাকৃতিক জীৱনত তামোলখনেই আছিল আটাইতকৈ সুন্দৰ আৰু স্বাভাৱিক প্ৰেম নিবেদনৰ প্ৰতীক।

বহু গীতত।

'নেখায়ো নোৱাৰো খালেও নামুৱায়
চেনাইৰে থুৰি তামোলখনি,
থুৰীয়া তামোলত আহুদি কৰিলি



'কিনো তামোলখনি দিলি ঔ লাহৰী
দুখনি হাতেৰে ল'লো
সেইনো তামোলখনি খাবৰে পৰা
তোমাৰ লগত বলিয়া হ'লোঁ।
কি কলা কৰিলা কি বুধি কৰিলা
থুৰীয়া তামোলৰ লগত
খাওঁতে শোওঁতে উঠোতে বহোঁতে
সদায় পৰি থাকে মনত।'

তামোল খাই বলিয়া হোৱা ডেকাৰ মনত চেনেহীয়ে আহুদি কৰাৰ সন্দেহ। তামোলখনিত চেনেহীয়ে আহুদি কৰি মন বলিয়া কৰাৰ কৌশলী প্ৰকাশ চহা কবিয়ে প্ৰকাশ কৰিছে

মোৰ গাত লাগিছে শনি।'

এয়া প্ৰেমৰ বাহিৰে কি হ'ব পাৰে? তামোলখনিৰ গইনাতে বিহুৱা কবিয়ে তাৰেই প্ৰকাশ কৰিছে গীতৰ মাজেৰে বিহুৱাৰ এই মন চাটি-ফুটি কৰা অৱস্থা প্ৰকাশত তামোলখনে গুৰুত্বপূৰ্ণ ভূমিকা লৈছে। সেইফালৰ পৰা তামোলৰ মাজত এক আকৰ্ষণী শক্তি সোমাই থকাৰ ইংগিত দিয়ে।

তামোল-পাণৰ যোগেদিয়ে ইজনে সিজনৰ প্ৰতি থকা হেঁপাহ আকাংক্ষা আৰু বিৰহৰ প্ৰকাশো বিহু-গীতবোৰত মন কৰিবলগীয়া। তামোল এখন পাবলৈ কৰা হেঁপাহ এজন কৃষিজীৱী ডেকাৰ বাবে আটাইতকৈ ডাঙৰ হেঁপাহ। ☆

# লৰ্ড বেডেন পাৱেল আৰু স্কাউট আন্দোলন

**বিজয়া ডেকা**
জ্যেষ্ঠা প্ৰৱক্তা, শিক্ষা বিভাগ

সমাজৰ যুৱ শক্তিৰ হাতত থাকে অসীম শক্তি আৰু থাকে অসীম দক্ষতা। তেওঁলোকক সুসংগঠিত কৰিব পাৰিলে সেই শক্তি অতুলনীয় হয়। সমাজৰ সকলোবোৰ ভাল কথাৰ সতে তেওঁলোকক জড়িত কৰিব পাৰিলে এই সুফল পোৱা যায়। তাৰ বাবে লাগে মাথো এক সুপৰিকল্পিত পদ্ধতি। তেনে এক পদ্ধতিৰ অন্যতম হৈছে স্কাউটিং পদ্ধতি। সম্প্ৰতি সমগ্ৰ বিশ্বতে সংগঠিত ৰূপত এই স্কাউটিঙে এক আন্দোলনৰ ৰূপ ধাৰণ কৰিছে। এই আন্দোলনৰ জনক হ'ল বেডেন পাৱেল। পাৱেলৰ জন্ম হয় ১৮৫৭ চনৰ ২২ ফেব্ৰুৱাৰীত লণ্ডনত। তেওঁৰ সম্পূৰ্ণ নাম হ'ল — ৰবাৰ্ট ষ্টিফেনচন স্মিথ বেডেন পাৱেল। পিতৃ হাবাৰ্ট জৰ্জ বেডেন পাৱেল আছিল অক্সফোৰ্ড বিশ্ববিদ্যালয়ৰ জ্যামিতিৰ অধ্যাপক। মাকৰ নাম হেনৰিতা গ্ৰেছস্মিথ। বেডেন পিতৃ-মাতৃৰ অষ্টম তথা নুমলীয়া সন্তান।

তিনিবছৰ বয়সতে পিতৃহাৰা বেডেনক মাকে বৰ মৰমেৰে ডাঙৰ-দীঘল কৰে। ককায়েকহঁতৰ লগতে বেডেনে ভ্ৰমণ কৰা, নৌকা বিহাৰ কৰা, শিবিৰ পতা আদি কাম শিকে।

কেচিংটন প্ৰাথমিক বিদ্যালয়ত শিক্ষা জীৱন আৰম্ভ কৰা বেডেনে পিছলৈ টান ব্ৰিজ স্কুল আৰু চাৰ্টাৰি হাৰ্ডচ স্কুলত পঢ়ে। সেই সময়ত চাৰ্টাৰি হাৰ্ডচ স্কুলত দুখীয়া ল'ৰা-ছোৱালীবোৰক চৰকাৰে বৃত্তি দি পঢ়োৱাৰ ব্যৱস্থা আছিল। এই ল'ৰাবোৰে এক বিশেষ ধৰণৰ পোছাক পিন্ধাৰ নিয়ম। এওঁলোকক 'গাৰ্ডন বয়' বোলা হৈছিল। 'গাৰ্ডন বয়' বোৰে কিছুমান বিশেষ ধৰণৰ কাম কৰাটো আছিল বাধ্যতামূলক। বেডেনেও 'গাৰ্ডন বয়' হোৱা বাবে কিছুমান কাম কৰিবলগীয়া হৈছিল। এনেবোৰ কামৰ ভিতৰত তেওঁ বিশেষকৈ ডাঙৰ ল'ৰাবোৰক গা-ধোৱা টাৱেল দিয়াৰ বাবে নিয়োজিত হৈছিল। সেইবাবেই বেডেন 'বাথিং টাৱেল' নামে পৰিচিত আছিল। ছাত্ৰ হিচাপে বেডেন অংক, ফৰাচী আৰু গ্ৰীক ভাষাত ভাল নাছিল। কিন্তু খেল, অভিনয় আৰু গানৰ প্ৰতি তেওঁৰ ৰাপ আছিল। চাৰ্টাৰি স্কুলৰ ফুটবল দলৰ তেওঁ গ'ল ৰক্ষক আছিল।

আজৰি সময়ত বেডেন স্কুলৰ পাছফালে থকা হাবিলৈ গৈছিল আৰু তাত বনৰীয়া চৰাই আৰু জীৱ-জন্তু নিৰীক্ষণ কৰিছিল। হাবিৰ মাজত জোৰেৰে দৌৰাৰ অভ্যাস কৰিছিল ।তেওঁ চুৰি-কুঠাৰৰ ব্যৱহাৰ, কম জুইত ৰন্ধা বঢ়া কৰা, কম্পাচ যন্ত্ৰৰ ব্যৱহাৰ, মানচিত্ৰ তৈয়াৰ কৰা আদি কাম শিকিছিল। কৌতূহলৰ বশবৰ্তী হৈ তেওঁ ইটা সাজিবলৈয়ো শিকিছিল। বেডেনৰ আৰু এটা গুণ আছিল — সেইটো হ'ল তেওঁ এখন হাতেৰে ছবি আঁকি আনখন হাতেৰে ৰং কৰিছিল।

স্কুলত পঢ়ি থকা দিনতে বেডেনে সামৰিক বিভাগত পৰীক্ষা দি কৃতিত্বৰে উত্তীৰ্ণ হয়। এটা সময়ত এই 'বাথিং টাৱেল' নামৰ ল'ৰাজনেই নিজ চেষ্টা আৰু পৰিশ্ৰমৰ বলত সামৰিক বিভাগৰ উচ্চ পদস্থ বিষয়া হয়, ব্ৰিটিশ সামৰিক বিভাগৰ গৌৰৱময় ফিল্ড মাৰ্শ্বেল'ৰ পদ অলংকৃত কৰে। ল'ৰালি কালৰ শিক্ষাই বেডেনক চাকৰি কালত বিশেষ ভাৱে সহায় কৰে।

১৯০০ চনত দক্ষিণ আফ্ৰিকাৰ মেফেকিং চহৰ হলেণ্ডৰ বুৱাৰ সকলে দখল কৰিছিল। সেই সময়ত বেডেনে ইংৰাজ সামৰিক বিষয়া হিচাপে মেফেকিং চহৰ উদ্ধাৰৰ দায়িত্ব বহন কৰিবলগীয়া হৈছিল। ডেকা ল'ৰাবিলাকৰ মাজত থকা অফুৰন্ত শক্তি যে কালজয়ী শক্তি সেইটো তেওঁ

ভলদৰে উপলব্ধি কৰিছিল। এনে ডেকা ল'ৰা কিছুমানৰ সহায়তে তেওঁ মেফেকিং চহৰ উদ্ধাৰ কৰিবলৈ সক্ষম হয়। তেওঁৰ ৰণ-কৌশল উদ্ভাৱনা আছিল অতি বিচিত্ৰ। তেওঁ বুজিছিল যে ডেকা শক্তিৰ সহায়ত অতি শৃংখলাবদ্ধভাৱে দায়িত্ব পালন আৰু হাঁহিমুখে বিপদ-বিঘিনী নেওচি সাহসেৰে আগবঢ়া সম্ভৱ। এই অভিজ্ঞতাটোৱেই তেওঁক ল'ৰাবিলাকৰ মাজত শান্তিকামী স্কাউটিং আন্দোলন গঢ়াৰ বাস্তৱ ৰূপ আনি দিয়ে। ব্ৰিটিশ সামৰিক বিভাগৰ গৌৰৱময় 'ফিল্ড মাৰ্শ্বেল'ৰ পদ এৰি দি তেওঁ চাকৰি জীৱনৰ বিচিত্ৰ অভিজ্ঞতাৰে স্কাউটিঙত মনোনিবেশ কৰে আৰু ১৯০৭ চনত জুলাই মাহৰ ২৯ তাৰিখৰ পৰা ৯ আগষ্টলৈ ইংলেণ্ডৰ ব্ৰাউন-চী নামে এটি সৰু দ্বীপত ২০ জন ল'ৰাৰে এটি পৰীক্ষামূলক শিবিৰ পাতি প্ৰশিক্ষণৰ ব্যৱস্থা কৰে। এইটোৱেই হ'ল স্কাউট আন্দোলনৰ প্ৰথম শিবিৰ। পৰীক্ষামূলক ভাৱে পতা এই শিবিৰটো যথেষ্ট সুন্দৰ, নিখুঁট আৰু জনপ্ৰিয় হয়। ফলস্বৰূপে তেওঁ ১৯০৮ চনৰ এপ্ৰিল মাহত 'Scouting for Boys'নামৰ কিতাপ এখন প্ৰকাশ কৰে। এই কিতাপখন প্ৰকাশ পোৱাৰ লগে লগেই বৰ জনপ্ৰিয় হৈ পৰে আৰু দেশৰ বিভিন্ন ঠাইত স্কাউট ট্ৰুপসমূহ গঠন হ'বলৈ ধৰে। বেডেনে ল'ৰালি কালৰ প্ৰবৃত্তিবিলাক ভালকৈ উপলব্ধি কৰে আৰু সেইবিলাকক ভেটি কৰি স্কাউটিঙৰ শিক্ষা প্ৰণালী যুগুত কৰে। 'বয় স্কাউট'ৰ মাজেৰে তেওঁ যুৱশক্তিক সুপৰিকল্পিত ভাৱে গঢ় দিবলৈ উঠিপৰি লাগে। নিতৌ একোটা ভাল কাম কৰিবলৈ তেওঁ 'স্কাউট' সকললৈ পৰামৰ্শ আগবঢ়ায়। কৰ্ম কুশলতাৰ বাবে জনপ্ৰিয়তাৰ শিখৰলৈ উঠি তেওঁ বেডেন পাৱেলৰ ঠাইত বি.পি. চুটি নামেৰে জনাজাত হৈ পৰে।

স্কাউটসকলৰ নিজা ইউনিফৰ্ম আছিল। তেওঁলোকে নিয়মানুবৰ্তিতা শিকিছিল, সময় অপচয় নকৰিছিল। আত্মসন্মান আত্মমৰ্যদা সম্পৰ্কে তেওঁলোক সচেতন আছিল। বেডেনে বিভিন্ন ঠাইত শিবিৰ পাতি স্কাউটসকলক নানান প্ৰশিক্ষণ দিছিল। এইবোৰ দেখি শুনি ছোৱালীবিলাকেও স্কাউট শিক্ষাৰ প্ৰতি আগ্ৰহী হৈ উঠিছিল। ফলস্বৰূপে ১৯০৯ চনত ১১ জনী ছোৱালীয়ে ক্ৰাইচটেল পেলেচ ৰেলীত যোগদান কৰে। এওঁলোকে স্কাউটৰদৰে পোছাক পিন্ধি ছদ্মবেশেৰে যোগদান কৰে। বেডেনে প্ৰথমতে অমান্তি হৈছিল যদিও পিচলৈ ছোৱালীবিলাককো স্কাউটিঙত অন্তৰ্ভুক্ত কৰি গাইড নামে নামকৰণ কৰে। বেডেনৰ ভগ্নী এগনেচে প্ৰথমে এই গাইডসকলক চোৱাচিতা কৰে। অৱশ্যে ১৯১৮ চনৰ পৰা বেডেনৰ পত্নী লেডী বি.পি.য়ে Chief Guide আৰু ১৯৩০ চনৰ পৰা World chief Guide ৰ দায়িত্ব বহন কৰে। ১৯১৮ চনত বেডেনে 'Girls Guiding'নামৰ আন এখন কিতাপ লিখে। মুকলি ঠাইত খেলৰ যোগেদি, প্ৰশিক্ষণৰ ব্যৱস্থা কৰি দেশৰ এজন সুনাগৰিক কৰি শাৰিৰীক, মানসিক, নৈতিক শিক্ষাৰে শিক্ষিত কৰি গঢ়ি তোলাৰ লগতে বিশ্ব ভাতৃত্ব ভাৱ জগাই তোলাটোৱেই স্কাউটিং গাইডিং শিক্ষাৰ মূল লক্ষ্য। ল'ৰা-ছোৱালীয়ে নিজৰ কাম নিজে কৰিবলৈ শিকাটোৱেই এই শিক্ষাৰ সাৰ্থকতা। পিছলৈ বেডেনে স্কাউটিং সম্বন্ধীয় ভালেমান কিতাপ লিখে। যেনে — Scouting for Boys, Started the Scout Journal, Scouting games, Quick Training for war, The Down fall prempeh, The Matabele Campaign, Aids to scouting, Sport in war, Young knights of the Empire, Cavalry Instruction etc.

ইংলেণ্ডৰ স্কাউট-গাইড আন্দোলনে জনপ্ৰিয়তা লাভ কৰাৰ সময়তে উইলিয়াম বইছ নাম এজন মাৰ্কিন সদাগৰ ইংলেণ্ডলৈ আহে। লণ্ডন মহানগৰীত কুঁৱলীৰ প্ৰকোপত বইছ চাহাব পথ ভ্ৰষ্ট হয়। এনেতে তেওঁ এজন ছাত্ৰ লগ পালে। ছাত্ৰজনক তেওঁ গন্তব্য স্থানৰ সন্ধেদ সুধিলে। ছাত্ৰজনে তেওঁক হাঁহিমুখেৰে গন্তব্য স্থানত থৈ আহিলগৈ। বিপদত সহায় কৰা ছাত্ৰজনক বইজ চাহাবে পুৰস্কাৰ স্বৰূপে কেইটামান মুদ্ৰা যাচিলে। ছাত্ৰজনে পুৰস্কাৰ গ্ৰহণ নকৰি কলে — "মই এজন স্কাউট। লোকৰ উপকাৰ কৰাটো মোৰ ধৰ্ম। তাৰ বাবে আমি কোনো মূল্য বা পুৰস্কাৰ গ্ৰহণ নকৰো।" কথাষাৰ কৈ ছাত্ৰজনে বইছ চাহাবক এটা স্কাউট অভিবাদন জনাই হাঁহিমুখে বিদায় ললে। বইছ চাহাব ছাত্ৰজনৰ আচৰণত ইমান মুগ্ধ হ'ল যে তেওঁ স্কাউট আন্দোলনৰ বিষয়ে সবিশেষ জানি ললে আৰু নিজৰ দেশত ইয়াৰ প্ৰচাৰ আৰম্ভ কৰে। তাৰ

ফলস্বৰূপে আমেৰিকাত স্কাউটিং খেল জনপ্ৰিয় হৈ পৰিল। লাহে লাহে পৃথিৱীৰ বহুদেশত এই আন্দোলন বিয়পি পৰিল। স্কাউট-গাইডৰ জনপ্ৰিয়তালৈ লক্ষ্য ৰাখি বেডেনে এই আন্দোলনক কেবাটাও ভাগত ভগাবলৈ বাধ্য হ'ল। স্কাউট-গাইডৰ দৰে ১৯১৬ চনত ১১ বছৰ বয়সৰ তলৰ ল'ৰা-ছোৱালীৰ বাবে কাব-বুলবুল আৰু ১৮ বছৰ বয়সৰ ওপৰৰ যুৱক-যুৱতীৰ বাবে ৰ'ভাৰ-ৰেঞ্জাৰ শাখা ১৯২২ চনত প্ৰৱৰ্ত্তন কৰে। (বৰ্ত্তমানে ৩ বছৰৰ পৰা ৬ বছৰ বয়সৰ শিশুৰ বাবে 'বাণী' শাখা আৰম্ভ হৈছে।)

পৃথিৱীৰ বিভিন্ন দেশত স্কাউট আন্দোলনে আলোড়ন সৃষ্টি কৰা সময়তে ১৯১০ চনত ভাৰতবৰ্ষৰ কলিকতা, মাদ্ৰাজ, জব্বলপুৰ আদি ঠাইত স্কাউট ট্ৰুপ গাইড কম্পেনী গঠন হয়। কিন্তু এই ট্ৰুপসমূহ অকল ইউৰোপীয়ান আৰু এ্যাংলো ইণ্ডিয়ানসকলৰ ল'ৰা-ছোৱালীৰ মাজতেই সীমাবদ্ধ আছিল। সেয়েহে ভাৰতবৰ্ষৰ ল'ৰা-ছোৱালীৰ কথা চিন্তা কৰি ড° এ্যানি বেচান্ত ড° অৰুন্দেল আদি স্বনামধন্য লোকসকলে ১৯১৬চনত দক্ষিণ ভাৰতত প্ৰথম The Indian Boy Scout Association and Indian Girl Companies গঠন কৰে। প্ৰকাশ থাকে যে বেডেন পাৱেলে অনুষ্ঠিত কৰা পৃথিৱীৰ প্ৰথম স্কাউট Rally যেতিয়া লণ্ডনৰ Crystal Palace ত

১৯০৯ চনত অনুষ্ঠিত হৈছিল সেই সময়ত ড° অৰুন্দেল লণ্ডনত আছিল আৰু সেই Rally উপভোগ কৰিছিল। সেই Rally ত আকৃষ্ট হৈ স্কাউটিং ভাৰতবৰ্ষলৈ আনিবলৈ মনস্থ কৰিছিল। এই সময়ত গাইডবোৰক 'Sister Gudie' নামেৰে জনা যায়। তাৰ পিছত ১৯১৭ চনত পণ্ডিত মদন মোহন মালব্য, পণ্ডিত হৃদয় নাথ কুদৰু পণ্ডিত শ্ৰীৰাম বাজপাইৰ সহায়ত উত্তৰ ভাৰতত 'Seva Samiti Scout Association'স্থাপন হয়। একে সময়তে সৰ্বভাৰতীয় স্কাউট অনুষ্ঠান ৰূপে 'The Boy scout in India' সংগঠিত হয়। এনেদৰে ভাৰতবৰ্ষত স্কাউট আন্দোলনৰ নানান সংঘবোৰ গঠন হোৱাৰ সময়তে ১৯২১ চনত লৰ্ড বেডেন পাৱেল ভাৰতবৰ্ষলৈ আহে। বেডেনে এইসকলোবোৰ স্কাউট সংগঠন একেলগ কৰি এটা অনুষ্ঠান কৰিবলৈ যত্ন কৰে। অৱশ্যে এই সময়ত 'Seva Samiti Scout Association' একেলগ নহ'ল।

১৯৩৮ চনত ভাৰতবৰ্ষত জাতীয়তাবাদী আন্দোলনে ভৰপক দিয়ে। ফলত স্কাউট আন্দোলনেও 'Hindustan Scout Association' নাম লয়। এই নতুন অনুষ্ঠানত Seva Samiti য়ে যোগদান কৰে। উল্লেখযোগ্য যে উক্ত সংগঠন ল'ৰা-ছোৱালী উভয়ৰ বাবে মুকলি আছিল।

দেশৰ বিভিন্ন স্কাউট-গাইড আন্দোলনে গা কৰি উঠা সময়তে অবিভক্ত অসমত ১৯১৬-১৭ চনত ছিলঙত চেণ্ট এডমাণ্ডচ কলেজত স্কাউট ট্ৰুপ খোলে। অৱশ্যে এই ট্ৰুপসমূহ ইউৰোপিয়ান আৰু এ্যাংলো ইণ্ডিয়ান ল'ৰাৰ বাবেহে আছিল। ১৯১৯ চনত চাইফুদ্দিন আহমেদ নামৰ এগৰাকী ব্যক্তিয়ে ডিব্ৰুগড় হাইস্কুলত 'Band of hope' নামেৰে স্কাউট ট্ৰুপ গঠন কৰে। সেই একে বছৰতে ছিলঙৰ চৰকাৰী হাইস্কুলত কেৱল পাহাৰীয়া ল'ৰাৰ বাবে স্কাউট দল গঠন কৰে। এই সময়ছোৱাত স্কাউটৰ ৰাজ্যিক আয়ুক্তৰ দায়িত্ব বহন কৰিছিল পুলিচ প্ৰধান Mr. Balantine চাহাবে।

১৯২১-২২ চনত প্ৰথমবাৰৰ বাবে স্কাউট-মাষ্টাৰ প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত হয় কলিকতাৰ টালিগঞ্জ চহৰত। এই প্ৰশিক্ষণৰ দায়িত্বত আছিল Mr. Wilson চাহাব। এই শিবিৰত অংশ গ্ৰহণ কৰিছিল চাইফুদ্দিন আহমেদ, জেহিৰুদ্দিন আহমেদ, আটাউৰ ৰহমান, ইন্দ্ৰেশ্বৰ বৰঠাকুৰ ক্ষীৰোদ পুৰকায়স্থ কামাখ্যা নাথ ঠাকুৰ, অক্ষয় ভট্টাচাৰ্য, সুৰেশ কৰ, অন্নদায় বৰুৱা আদি ব্যক্তিসকলে। ১৯৩০ চনত Mr. G. A. Small অসমৰ D.P.I নিযুক্ত হয় আৰু তেখেতে অসমৰ ৰাজ্যিক আয়ুক্তৰ দায়িত্ব বহন কৰি অসমৰ ইমূৰৰ পৰা সিমূৰলৈ স্কাউট আন্দোলনৰ কাম সুচাৰুৰূপে পালন কৰে। উল্লেখযোগ্য যে ১৯৩৭ চনত ভাৰতৰ প্ৰথম জাম্বুৰী উপলক্ষে দিল্লীলৈ অহা বেডেনে অসমৰ পৰা যোগদান কৰা স্কাউট ট্ৰুপটোৱে All India Jamboree Flag লাভ কৰাত সন্তোষিত হৈ দলটোক ভূয়সী প্ৰশংসা কৰে।

এইদৰে বিভিন্ন নামেৰে সংগঠিত হোৱা স্কাউট-গাইড সংগঠনে দেশৰ বিভিন্ন ৰাজ্যত কাম কৰি থাকিল। কিন্তু

স্বৰাজ প্ৰাপ্তিৰ পিছত স্কাউট আন্দোলনে বিভিন্নতাসমূহ আঁতৰাই ১৯৫০ চনৰ ৭ নবেম্বৰত'Bharat Scout & Guide Association' নামে একত্ৰিত হয়। আৰু গাইড সকলৰ অন্যতম অনুষ্ঠান The Girl Guide য়েও পিছত ১৯৫১ চনৰ ১৫ আগষ্টৰ দিনা লগ লাগি 'Bharat Scout & Guide' নামেৰে নামকৰণ হয় ভাৰতীয় সংবিধান ভিত্তিত। এতিয়া ই আমাৰ কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্যিক চৰকাৰৰ একমাত্ৰ অনুমোদিত আৰু স্বীকৃত স্কাউট-গাইড সকলৰ সৰ্বভাৰতীয় অনুষ্ঠান।

মনকৰিবলগীয়া কথা এই যে স্কাউট-গাইডত জড়িত ছাত্ৰ-ছাত্ৰীসকলে নিজা খৰছত ইউনিফৰ্ম পিন্ধাটো বাধ্যতামূলক। সৰ্বধৰ্ম প্ৰাৰ্থনা, স্কাউট-গাইড প্ৰাৰ্থনা, পতাকা উত্তোলন গীত, হাইকিং, বি.পি. ছিক্স ব্যায়াম, দেশপ্ৰেমমূলক গীত, খেল-ধেমালি, প্ৰাথমিক চিকিৎসা বিধান, সমাজসেৱা আদিত অংশ গ্ৰহণ কৰিবলগীয়া হয়। এইবোৰৰ মাজেৰে লাভ কৰা শিক্ষাই তেওঁলোকক সৎ চৰিত্ৰৱান, সুস্বাস্থ্যৱান, দেশপ্ৰেম আৰু সমাজ সচেতনতা জ্ঞানেৰে উদ্বুদ্ধ একোগৰাকী দায়িত্বশীল-সুনাগৰিক তথা বিশ্ব ভাতৃত্ববোধ আৰু ঈশ্বৰ বিশ্বাসী ব্যক্তি হোৱাত সহায় কৰে।

উল্লেখযোগ্য যে অসম চৰকাৰৰ চিঠি নং – B (3) S. 162/97/190 dt. of 7-1-02 by Education Department of Assam

Direct Letter Education Eg / Mise / 23/2581/19 Kahilipara. 2nd May, 02 Seva Circular No. SEBA / AB / PE/4/2003/82/dated 4th Feb., 03. এই নিৰ্দেশনা অনুসৰি অসম চৰকাৰে সকলো বিদ্যালয় - মহাবিদ্যালয়ত স্কাউট-গাইড সংগঠন খোলাটো বাধ্যতামূলক কৰিছে।

**<u>লেখকৰ কিছু সংলগ্ন ঃ</u>** অসম চৰকাৰৰ চিঠিৰ প্ৰতি সঁহাৰি জনাই ইতিমধ্যে অসমৰ বিভিন্ন বিদ্যালয়ত স্কাউট-গাইড দল আৰু মহাবিদ্যালয় পৰ্যায়ত Rover Crew-Ranger Team গঠন হৈছে। এই ক্ষেত্ৰত আমাৰ মহাবিদ্যালয়ো পিছপৰি থকা নাই। ভাৰত স্কাউট-গাইড, অসম শাখাৰ অধীনত ১৬-৬-০২ তাৰিখৰ পৰা ২৫-৬-০২ তাৰিখলৈ চামতা পথাৰ, সোনাপুৰত অনুষ্ঠিত হোৱা Rover Leader Trainingত অংশগ্ৰহণ কৰি মহাবিদ্যালয়ৰ গণিত বিভাগৰ প্ৰবক্তা শ্ৰীযুত নৰজ্যোতি দাসে মহাবিদ্যালয়ৰ 'কোঁৱৰ গদাপানি' নামে ০১- ০৮-০২ তাৰিখে এটি Rover Crew গঠন কৰে। সেইদৰে ২০০২ চনৰ ১৬ ডিচেম্বৰৰ পৰা ২২ ডিচেম্বৰলৈ চমতাপথাৰ সোণাপুৰত অনুষ্ঠিত হোৱা Ranger Leader Basic Training সমাপ্ত কৰি মহাবিদ্যালয়ৰ শিক্ষাবিভাগৰ জ্যেষ্ঠা প্ৰবক্তা শ্ৰীযুতা বিজয়া ডেকাই মহাবিদ্যালয়ত ২১-১-০৩ তাৰিখে 'অমৃত প্ৰভা' Ranger Team গঠন কৰে। সুখৰ বিষয় এই সময়ছোৱাৰ ভিতৰতে অসমৰ বাহিৰত অনুষ্ঠিত হোৱা শিবিৰ তথা জাম্বুৰীত আমাৰ মহাবিদ্যালয়ৰ কেবাগৰাকী ৰভাৰ-ৰেঞ্জাৰ সদস্যই যোগদান কৰাৰ সুবিধা লাভ কৰি মহাবিদ্যালয় তথা অসমলৈ গৌৰৱ কঢ়িয়াই আনিছে। ☆☆☆